# REGIONAL NEWS UNIT

## AKASHVANI, GUWAHATI

0000000000

**Date :** 16-SEP-2025

**Time :** 1715 HRS

## *Assamese Evening Bulletin*

———————————————————

বিটিচি নিৰ্বাচনৰ প্ৰচাৰ অভিযানৰ সামৰণি পৰিবলৈ মাজত মাথো তিনিটা দিন বাকী থকা অৱস্থাত প্ৰচাৰ অভিযান তুংগত উঠিছে। ওদালগুৰি জিলাত বিজেপি দলে ১০ টা সমষ্টিৰ ভিতৰত সাতটাত প্ৰতিদ্বন্দ্বিতা কৰিছে। জিলাখনত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাকে ধৰি বিজেপিৰ কেইবাগৰাকীও শীৰ্ষ নেতাই ব্যাপক প্ৰচাৰ চলাই আছে। ডঃ হিমন্ত বিশ্ব শৰ্মাই আজি খালিংদুৱাৰ সমষ্টিত দলীয় প্ৰাৰ্থী অৰ্জুন দৈমাৰীৰ সমৰ্থনত পলাহগড়ত প্ৰচাৰ চলায়। তেওঁ আজি ৰাজগড়ত নোনাই চেৰফাং সমষ্টিৰ প্ৰাৰ্থী ৰণজিৎ তাঁতিৰ হৈ এখন নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰে। সভাত ডঃ শৰ্মাই কয়, যে বিটিচিলৈ অসম চৰকাৰ আৰু কেন্দ্ৰীয় চৰকাৰে প্ৰতি বছৰে ১৫ শ কোটিকৈ টকা আগবঢ়ায় যদিও অঞ্চলটো তুলনামূলকভাৱে এতিয়াও পিছ পৰি আছে।

*(বাইট ঃ ডঃ শৰ্মা)*

মুখ্যমন্ত্ৰীয়ে আজি তামুলপুৰ জিলাৰ শুকলাই চেৰফাং পৰিষদীয় সমষ্টিৰ বিজেপিৰ প্ৰাৰ্থী লক্ষী দাসৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলায়। এই উপলক্ষে আয়োজিত সভাত মন্ত্ৰী জয়ন্ত মল্লবৰুৱা তথা দলৰ কেইবাগৰাকীও জ্যেষ্ঠ নেতা উপস্থিত থাকে। সভাত দিয়া ভাষণত মুখ্যমন্ত্ৰীয়ে অৰুণোদয়, মহিলা উদ্যমিতা আঁচনিকে ধৰি কেইবাটাও জনকল্যাণসমূলক আঁচনিৰ সুবিধা জনসাধাৰণক দিয়াৰ বাবে ৰাজ্য চৰকাৰ দায়বদ্ধ বুলি প্ৰকাশ কৰে।

০০০০০

বিটিচি নিৰ্বাচনৰ প্ৰচাৰ অভিযান সন্দৰ্ভত আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে অহা শনিবাৰ ২০ ছেপ্তেম্বৰৰ নিশা ৮ বাজি দুই মিনিটত এটা বিশেষ দৃষ্টিপাত অনুষ্ঠান প্ৰচাৰ কৰিব। এই অনুষ্ঠানত আমাৰ কোকৰাঝাৰ, চিৰাং, বাক্সা, তামুলপুৰ আৰু ওদালগুৰি জিলাৰ সংবাদদাতা কেইগৰাকীৰ লগতে বি টি চিৰ ভোটগ্ৰহণ কেন্দ্ৰ থকা বিশ্বনাথ জিলাৰ সংবাদদাতাগৰাকীয়েও অংশগ্ৰহণ কৰিব। আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰে আঁত ধৰিবলগীয়া এই আলোচনাত  সাংবাদিক অৰূপ শান্দিল্যও ষ্টুডিঅ'ৰ পৰা আমাৰ সংবাদদাতাসকলৰ সৈতে আলোচনাত ভাগ ল'ব।

০০০০০

শোণিতপুৰ জিলা আয়ুক্ত আনন্দ কুমাৰ দাসে আজি জনসাধাৰণৰ বাবে উন্নত সেৱা প্ৰদানৰ বাবে দায়বদ্ধতা বৃদ্ধি কৰাৰ উদ্দেশ্যেৰে জিলাখনৰ কেতবোৰ স্বাস্থ্য আৰু শিক্ষানুষ্ঠান পৰিদৰ্শন কৰে। ঢেলামৰাৰ নাহৰবাৰী নতুন প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰটো পৰিদৰ্শন কৰি তেওঁ স্বাস্থ্য প্ৰতিষ্ঠানটোৰ সামগ্ৰিক ব্যৱস্থা, সা-সুবিধা আৰু সেৱা প্ৰদানৰ মান সন্দৰ্ভত পৰ্যালোচনা কৰে। চিকিৎসালয়ৰ কৰ্মচাৰী আৰু ৰোগীসকলৰ সৈতে মত

বিনিময় কৰি শ্ৰীদাসে স্বাস্থ্য কেন্দ্ৰটোৰ প্ৰয়োজনীয় সা-সুবিধা প্ৰদানৰ আশ্বাস দিয়ে। এই কাৰ্যসূচীৰ অধীনত পাঁচ মাইল উচ্চ মাধ্যমিক বিদ্যালয়, মকুৰা প্ৰাথমিক বিদ্যালয় আৰু বালিপাৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সামগ্ৰিক কাৰ্যপদ্ধতি, ছাত্ৰ-ছাত্ৰীৰ উপস্থিতি, মধ্যাহ্ন ভোজন, বিজ্ঞান পৰীক্ষাগাৰ, পুথিভঁৰাল, অনাময় ব্যৱস্থা ইত্যাদিসমূহৰ পৰিদৰ্শন কৰা হয়। জিলাখনৰ দুজন সহকাৰী আয়ুক্তই এই পৰিদৰ্শন কাৰ্যসূচীত অংশগ্ৰহণ কৰে। পৰিদৰ্শনৰ পৰৱৰ্তী পৰ্যালোচনাই জিলাখনত কাৰ্যকৰী পৰ্যবেক্ষণ আৰু উন্নত সেৱা প্ৰদান সুনিশ্চিত কৰিব বুলি জিলা আয়ুক্তই আশা প্ৰকাশ কৰিছে।

ooooo

দৰং জিলাৰ দিপিলাৰ ঐতিহ্যমণ্ডিত খটৰা সত্ৰত আজিৰে পৰা চাৰিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে পাচেতি উৎসৱ অনুষ্ঠিত হৈছে। ১৫৬৮ চনত মহাপুৰুষ শ্ৰীশ্ৰী মাধৱদেৱৰ পৰম শিষ্য লেচাকণীয়া গোবিন্দ আতাই প্ৰতিষ্ঠা কৰা সত্ৰখনত লোকবিশ্বাস আৰু পৰম্পৰা অনুসৰি ভগৱান শ্ৰীকৃষ্ণৰ জন্ম বৃত্তান্তৰ সৈতে জড়িত এই উৎসৱ পালন কৰা হয়। আজি পুৱা ৫ বজাত প্ৰাতঃ প্ৰসংগৰে অনুষ্ঠানৰ শুভাৰম্ভ কৰা হয়। এই উৎসৱ পূৰ্বে সত্ৰৰ চাৰিবেৰৰ মাজতে সীমাবদ্ধ আছিল যদিও পাছলৈ বৰ্ণাঢ্য কাৰ্যসূচীৰে পাচেতি উৎসৱ পালন কৰিবলৈ লোৱা হয়। উৎসৱৰ সৈতে সংগতি ৰাখি দধিমথন কৃষ্টি প্ৰদৰ্শন, ভাগৱত পাঠ, সত্ৰীয়া সংস্কৃতি প্ৰদৰ্শন, অংকীয়া ভাওনা, শ্ৰীকৃষ্ণৰ ৰূপসজ্জা, দিহানাম, বাণিজ্যিক মেলা আদিৰ আয়োজন কৰা হৈছে। এই উৎসৱৰ বাণিজ্যিক মেলাত বিভিন্ন ফলৰ গছপুলিৰ যথেষ্ট চাহিদা দেখা যায়। এই মেলাত ক্ৰয় কৰা পুলিৰে ভৱিষ্যতে অধিক উৎপাদন দিয়ে বুলি বিশ্বাস প্ৰচলিত আছে। ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ লোকে এই পাচেতি উৎসৱত অংশ লৈছে বুলি আমাৰ সংবাদদাতাই জনাইছে।

ooooo

কামৰূপ জিলা পৰিষদৰ উদ্যোগত আৰু গোলাপ বৰবৰা ৰাজ্যিক পঞ্চায়ত আৰু গ্ৰামোন্নয়ন প্ৰতিষ্ঠানৰ সহযোগত আজি জিলা আয়ুক্তৰ কাৰ্যালয়ত এখন কৰ্মশালা অনুষ্ঠিত হয়। কৰ্মশালাখনত পঞ্চায়তীৰাজৰ বিভিন্ন দিশত নৱনিৰ্বাচিত জিলা পৰিষদৰ সদস্যসকলক প্ৰশিক্ষণ দিয়া হয়। গোলাপ বৰবৰা ৰাজ্যিক পঞ্চায়ত আৰু গ্ৰামোন্নয়ন প্ৰতিষ্ঠানৰ যুটীয়া সঞ্চালক আৰু এই প্ৰতিষ্ঠানৰ শৰাইঘাট সম্প্ৰসাৰণ কেন্দ্ৰৰ উপ-সঞ্চালকৰ লগতে অন্যান্য কেইবাগৰাকী প্ৰশিক্ষকে অংশগ্ৰহণকাৰীসকলক পঞ্চায়তীৰাজৰ কাম-কাজৰ সঠিক ৰূপায়ণ আৰু উন্নয়নৰ বাবে প্ৰশিক্ষণ দিয়ে। জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া সিদ্ধাৰ্থ গোস্বামী আৰু সভাপতি নিপন ভূঞায়ো এই কৰ্মশালাত অংশগ্ৰহণ কৰে।

ooooo

সমাপ্ত